# সীমা সহযোগিতাৰ সম্পৰ্কে ভাৰত আৰু ম্যানমাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ সম্পন্ন ।

মে ১০,২০১৪

ভাৰত আৰু ম্যানমাৰে সীমান্ত বিষয়ত সহযোগিতাৰ সম্পৰ্কে এখন বুজাবুজিৰ চুক্তিত (এম ও ইউ) স্বাক্ষৰিত কৰে ।ম্যানমাৰত থকা ভাৰতীয় ৰাষ্ট্ৰদূত শ্ৰী গৌতম মুখপধ্যায়ে আৰু ম্যানমাৰৰ উপ সুৰক্ষা মন্ত্ৰী মেজৰ জেনেৰেল ক্যাৱ ন্যাউন্টে(Kyaw Nyunt) ৮ মে ২০১৪ তাৰিখে নেয় পয়ি টোওত (Nay Pyi Taw) বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে ।

বুজাবুজিৰ চুক্তি খনে সুৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত আৰু ভাৰত আৰু ম্যানমাৰৰ সুৰক্ষা এজেঞ্চী সমূহৰ মাজত তথ্য বিনিময়ৰ এক নিতীৰ যোগুতাব ।এই চুক্তি খনৰ মুখ্য বিষয়টো হৈছে নিজ নিজ দেশৰ আন্তৰাষ্ট্ৰীয় সীমান্তত আৰু সামুদ্ৰিক সীমান্তত দুয়োদেশৰ সেনা বাহিনীৰ দ্বাৰা সহযোগিতামুলক পহৰাদাৰৰ পৰিচালনাৰ ব্যৱস্থা কৰাটো । সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ,অস্ত্ৰ-শস্ত্ৰ বেআইনীভাৱে সৰবৰাহ আৰু নিচাযুক্ত দ্ৰব্য,মানৱ আৰু বন্যপ্ৰানীৰ বেআইনী ভাৱে সৰবৰাহৰ ক্ষেত্ৰত  তথ্য বিনিময় কৰিবলৈ দুয়োদেশে সন্মতি প্ৰকাশ কৰিছে ।সীমান্তত সংঘটিত বেআইনী কাৰ্য্যকলাপ সমুহত বাধা প্ৰদান কৰিবলৈ দুয়োদেশে ব্যৱস্থা গ্ৰহন কৰিবলৈ ঐক্যমত প্ৰকাশ কৰিছে । বুজাবুজিৰ চুক্তি খনত  সেনা বাহিনীৰ,নিচা যুক্ত দ্ৰব্যৰ নিয়ন্ত্ৰন কৰা এজেঞ্চী সমুহৰ আৰু বন্য প্ৰানীৰ বিৰুদ্ধে হোৱা ক্ৰাইমৰ নিয়ন্ত্ৰন কৰা এজেঞ্চী সমুহৰ মাজত অনুষ্ঠিত হব লগীয়া বৈঠকৰ পৰ্যায় আৰু ব্যৱধান  সম্বন্ধে খনত উল্লেখ কৰা হৈছে ।

আশা কৰা হৈছে যে এই বুজাবুজিৰ চুক্তি খনে ভাৰত আৰু ম্যানমাৰৰ সুৰক্ষা এজেঞ্চী সমূহৰ মাজত  দুয়োদেশৰ দীৰ্ঘ আন্তৰাষ্ট্ৰীয় ভূমী আৰু সামুদ্ৰীক সীমান্তত শান্তি,স্থিৰতা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰিবলৈ নেতৃত্ব দিব ।

নতুন দিল্লী

মে ১০,২০১৪